# Krishna Kanta Handiqui State Open University
## MA 4th Sem. Examination, 2014

বিষয় ঃ অসমীয়া     কাকত ঃ ষষ্ঠদশ (ভাষা শাখা)

তিব্বত-বৰ্মীয় ভাষা

সময় ঃ ৩ ঘণ্টা     মুঠ নম্বৰ ঃ ৮০

১। তলৰ যিকোনো ৫ টা প্ৰশ্নৰ উত্তৰ লিখক     ২×৫ = ১০

(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত লিখিব)

(ক) চীন-তিব্বতীয় ভাষাটোৰ চমু পৰিচয় দিয়ক।

(খ) গুৱাহাটী বিশ্ববিদ্যালয়ৰ দ্বাৰা গৃহীত আৰু প্ৰকাশিত প্ৰথমখন বড়ো ভাষা বিষয়ক গৱেষণা গ্ৰন্থৰ বিষয়ে চমুকৈ লিখক।

(গ) বড়ো ভাষাত কেইবিধ সৰ্বনামৰ প্ৰয়োগ আছে? উদাহৰণ দি উত্তৰ দিয়ক।

(ঘ) ৰাভা ভাষাৰ আটাইতকৈ পুৰণি লিখিত নিদৰ্শন কি?

(ঙ) ৰাভা ভাষাৰ বিশিষ্ট স্বৰধ্বনি কেইটা আৰু কি কি?

(চ) তিব্বত-বৰ্মীয় ভাষাত লিংগ ব্যাকৰণগত বিষয় হয়নে নহয়?

(ছ) অসমীয়া ৰূপ সাধনৰ সৰ্গ হিচাপে ব্যৱহাৰ হোৱা কিছুমান সাধাৰণ বড়োমূলীয় অনুপদৰ উদাহৰণ দিয়ক।

২। তলৰ যিকোনো ৩ টা প্ৰশ্নৰ উত্তৰ লিখক     ৪×৩ = ১২

(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১০০ টা শব্দৰ ভিতৰত লিখিব)

(ক) বড়োভাষাত উভয় ব্যক্তিবাচক আৰু ব্যক্তিবাচক (নিৰ্দেশবাচক) সৰ্বনামৰ প্ৰয়োগ বিধি কি? উদাহৰণসহ বুজাই লিখক।

(খ) ৰাভা ভাষাত বিশেষ্য শব্দৰ গঠন কেনেদৰে হয়? উদাহৰণসহ বুজাই লিখক।

(গ) মিছিং ভাষাত সংখ্যাবাচক শব্দ কিদৰে সাধন হয়? উদাহৰণসহ বুজাই লিখক।

(ঘ) দেউৰী ভাষাত দ্বি-স্বৰধ্বনি আৰু ত্ৰি-স্বৰধ্বনিৰ প্ৰয়োগ কেনেধৰণৰ?



(ঙ) সম্বন্ধবাচক শব্দৰ গঠন আৰু প্ৰয়োগত তিব্বত-বৰ্মীয় পৰিয়ালৰ অন্তৰ্গত ভাষাসমূহৰ কিবা বিশিষ্ট দিশ আছেনে? উদাহৰণসহ ব্যাখ্যা কৰক।

৩। তলৰ যিকোনো ৩ টাৰ চমুটোকা লিখক     ৬×৩ = ১৮

(প্ৰতিটো চমুটোকা ২৫০ টা শব্দৰ ভিতৰত লিখিব)

(ক) ৰাভা ভাষাৰ বিশেষণ শব্দ গঠন।

(খ) মিছিং ভাষাৰ অনুজ্ঞা ৰূপ।

(গ) দেউৰী ভাষাৰ সুৰ।

(ঘ) ৰাভাত সংখ্যাবাচক শব্দৰ প্ৰয়োগ।

(ঙ) তালিকাসহ বড়ো বিশিষ্ট স্বৰ আৰু ব্যঞ্জনধ্বনিৰ পৰিচয়।

৪। তলৰ যিকোনো ৪ টা প্ৰশ্নৰ উত্তৰ লিখক     ৪০×৪ = ৪০

(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৪০০ টা শব্দৰ ভিতৰত লিখিব)

(ক) তিব্বত-বৰ্মীয় ভাষাৰ এটি সাধাৰণ পৰিচয় আগবঢ়াওক।

(খ) ৰাভা ভাষাৰ ধ্বনিতত্ত্ব আৰু ৰূপতত্ত্বৰ বিভিন্ন দিশ সাঙুৰি এটা সামগ্ৰীক আলোচনা আগবঢ়াওক।

(গ) মিছিং ভাষাৰ ৰূপতত্ত্বৰ বিভিন্ন দিশ সাঙুৰি এটা আলোচনা আগবঢ়াওক।

(ঘ) অসমৰ তিব্বত-বৰ্মীয় ভাষাৰ ধ্বনিতাত্ত্বিক বৈশিষ্ট্যসমূহ উপযুক্ত উদাহৰণসহ আলোচনা কৰক।

(ঙ) অসমৰ তিব্বত-বৰ্মীয় ভাষাৰ ৰূপতাত্ত্বিক বৈশিষ্ট্যসমূহ উপযুক্ত উদাহৰণসহ আলোচনা কৰক।

(চ) অসমীয়া আৰু তিব্বত-বৰ্মীয় ভাষাৰ মাজত থকা সাদৃশ্যসমূহৰ বিষয়ে এটি আলোচনা যুগুত কৰক।